

# SEBA X

# ASSAMESE

Model Question Paper

No. of Printed Pages : 11

**B20-AS**

**Subject Code : 01**

210308

**2020**

# ASSAMESE

(Modern Indian Language)

*Full Marks : 100*
*Pass Marks : 30*

Time : 3 hours

*The figures in the margin indicate full marks for the questions.*

পৰীক্ষাৰ্থীয়ে একেখন বহীত **GROUP-A** (ক-বিভাগ) আৰু **GROUP-B** (খ-বিভাগ)-ৰ উত্তৰ কৰিব লাগিব।

**অথবা**

**GROUP-A** (ক-বিভাগ) আৰু **GROUP-C** (গ-বিভাগ)-ৰ উত্তৰ একেখন বহীত কৰিব লাগিব।



Scanned with CamScanner

GROUP - A

বিভাগ - ক

মূল্যাংক : ১৫

১. তলৰ **যিকোনো দুটাৰ** অতি চমু উত্তৰ লিখা: ১x২=২

(ক) অসমীয়া সাহিত্যৰ বুৰঞ্জী প্ৰণেতা হিচাপে পৰিচিত সাহিত্যিক গৰাকীৰ নাম লিখা।

(খ) কোনটো যুগক ভাৰতীয় সংস্কৃতিৰ বিস্তাৰ যুগ বুলিব পাৰি?

(গ) আব্দুছ ছাত্তাৰ অসম সাহিত্য সভাৰ কি পদত অধিষ্ঠিত হৈছিল?

২. তলৰ **যিকোনো এটাৰ** অতি চমু উত্তৰ লিখা: ১

(ক) প্ৰাচীন জ্যোতিৰ্বিজ্ঞানৰ আটাইতকৈ প্ৰভাৱশালী গ্ৰন্থ কোনখন ?

(খ) ইণ্টাৰনেটত সঘনাই ব্যৱহৃত হৈ থকা www নো কি জানিবলৈ কুঁৱলীয়ে ক'ত সন্ধান কৰিলে ?

৩. তলৰ **যিকোনো এটাৰ** অতি চমু উত্তৰ লিখা : ১

(ক) অৰুণিমা সিন্‌হাৰ কোনবিধ খেলত বিশেষ দক্ষতা আছিল ?

(খ) "কামত ল'ৰা-ছোৱালী বুলি ভাগ নাই। যেনেকৈ কাম ভাগ কৰি দিছোঁ তেনেকৈ কৰা।" – কথাষাৰৰ বক্তা কোন ?

(গ) ইৰানৰ ইছলামিক গণতন্ত্ৰৰ প্ৰতিষ্ঠাতা কোন ?

৪. তলৰ **যিকোনো দুটাৰ** চমু উত্তৰ লিখা: ২x২=৪

(ক) লেখকৰ মতে ছাত্ৰ-জীৱনৰ প্ৰকৃত উদ্দেশ্য কি কি ?

(খ) মোগল সম্ৰাট বাবৰৰ আমোলত ভাৰতত প্ৰৱেশ কৰা চিত্ৰকলাৰ নতুন ধাৰাটি কেনে আছিল লিখা।

(গ) "এই গোটেইবোৰ হ'ল স্বতঃপ্ৰণোদিতভাৱে হোৱা প্ৰক্ৰিয়া।" – কথাষাৰৰ অন্তৰ্নিহিত অৰ্থটি বুজাই লিখা।

[ Contd.



Scanned with CamScanner

২

৫. তলৰ **যিকোনো এটাৰ** চমু উত্তৰ লিখা :

(ক) ১৫৪৩ খ্ৰীষ্টাব্দক কিয় মানৱ ইতিহাসৰ এটি উল্লেখযোগ্য বছৰ বুলি কোৱা হয় ?

(খ) ভাইৰাচে কম্পিউটাৰ এটাৰ কেনেদৰে বিজুতি ঘটাব পাৰে ?

২×৩=৬

৬. তলৰ যিকোনো তিনিটাৰ চমু উত্তৰ লিখা:

(ক) ‘একোগৰাকী ব্যক্তিয়ে নিজৰ প্ৰতিভাৰে জাতীয় জীৱনত জিলিকি উঠি আন সহস্ৰজনৰ বাবে আশা আৰু প্ৰেৰণাৰ বতৰা কঢ়িয়াই আনে।’ – কথাষাৰৰ যুক্তিযুক্ততা অৰুণিমা সিন্হাৰ জীৱনৰ আধাৰত বুজাই লিখা।

(খ) কাজিৰঙালৈ যাত্ৰা কৰি কি কি বিশেষ শিক্ষা লাভ কৰিলে বুলি শিক্ষাৰ্থীসকলে শিক্ষক-শিক্ষয়িত্ৰীসকলক অৱগত কৰিছিল?

(গ) টেহ্ৰাণৰ প্ৰাকৃতিক অৱস্থা কেনেকুৱা লিখা।

(ঘ) এভাৰেষ্টৰ বুকুত ভৰি থৈয়ে অৰুণিমাহঁতে খৰখেদাকৈ কিয় নামি আহিবলৈ বাধ্য হৈছিল?

৪

৭. তলৰ যিকোনো এটা প্ৰশ্নৰ উত্তৰ লিখা:

(ক) আমাৰ দেশৰ অধিকাংশ লোক আজিও কেনে অৱস্থাত আছে – ‘ছাত্ৰ -জীৱন আৰু সমাজসেৱা’ পাঠটোৰ আধাৰত বুজাই লিখা।

(খ) অজন্তাৰ গুহাৰ শিল্পকলাৰ এটি বিৱৰণ দিয়া।

(গ) “এটা সংমিশ্ৰিত-সংস্কৃতিসম্পন্ন জাতি, ইয়াক নুই কৰাৰ কোনো যুক্তি-তৰ্কৰ অৱকাশ নাই।” – ইয়াত লেখকে কাক আৰু কি সংস্কৃতিসম্পন্ন জাতি বুলি কৈছে ? ‘নুই কৰাৰ কোনো যুক্তি তৰ্কৰ অৱকাশ নাই।’ – বোলা কথাষাৰৰ সত্যাসত্য বিচাৰ কৰা।

৫

৮. তলৰ যিকোনো এটা প্ৰশ্নৰ উত্তৰ লিখা:

(ক) “বিজ্ঞান ঢাপে ঢাপে আগবাঢ়ে। প্ৰত্যেক বিজ্ঞানীয়ে তেওঁৰ পূৰ্বৱৰ্তী বিজ্ঞানীসকলৰ কামৰ ওপৰত যথেষ্ট নিৰ্ভৰশীল।” – ‘নিউটন আৰু সপ্তদশ শতিকাৰ বৌদ্ধিক বিপ্লৱ’ পাঠটিৰ সহায়ত বুজাই লিখা।

(খ) “ইন্টাৰনেটৰো মিঠা সুবিধাৰ লগতে তিতা অসুবিধাও আছে।” – কথাষাৰৰ বক্তা কোন ? ইন্টাৰনেটৰ সুবিধা আৰু অসুবিধাৰ বিষয়ে পাঠটোৰ আধাৰত বুজাই লিখা।

[ Contd.



Scanned with CamScanner

৯. অতি চমু উত্তৰ লিখা: ১x২=২

(ক) “সনক সনন্দ যোগী যাহাকু ধিয়ায়।” – সনক, সনন্দ আদি যোগীসকলে কাক ধ্যান কৰে বুলি কৈছে ?

(খ) আজান ফকিৰৰ আচল নাম কি আছিল ?

১০. তলৰ যিকোনো এটা প্ৰশ্নৰ অতি চমু উত্তৰ লিখা : ১

(ক) মন্দিৰৰ উপেক্ষিত কি ফুলে প্ৰেম-পৰিমল যচা বুলি কবিয়ে কৈছে ?

(খ) অসমৰ হেংদাং ক'ত জিলিকিছিল ?

(গ) হৰেকৃষ্ণ ডেকাদেৱে ২০১০ চনত লাভ কৰা বঁটাটোৰ নাম কি ?

১১. উত্তৰ লিখা: ৩

(ক) কবি মাধৱদেৱৰ সাহিত্যিক কৰ্মৰাজিক কি কি ভাগত ভাগ কৰিব পাৰি উল্লেখ কৰা।

নাইবা

(খ) মক্কাৰ দুৱাৰত চাহাব জীৱই মাৰে তালি।
যেনে শালে শ'লৰ লগত দৰিকাৰ টপালি।।

– কবিতাফাকিৰ অন্তৰ্নিহিত ভাৱটি বিশ্লেষণ কৰা।

১২. উত্তৰ লিখা: ৩

(ক) ‘উঠা হে ঋত্বিক ধ্যানী অমৃতৰ পুত্ৰ,
উঠা যত মুক্তি পথযাত্ৰী।’

– কৱিয়ে কিয় এনেদৰে আহ্বান জনাইছে বুজাই লিখা।

নাইবা

(খ) ‘ক'ত অত বল পালে অসমৰ সেনানীয়ে
শুকান সান্দহ আৰু পানী আঁজলিত।’

– কথাষাৰৰ তাৎপৰ্য ব্যাখ্যা কৰা।



Scanned with CamScanner

১৩. তলৰ **যিকোনো এছোৱা** ব্যাখ্যা কৰা : ৪

(ক) তোমাৰ চৰণ দুই মোৰ মহা ধন।
ভকত জনেৰ নিজ তুমি সে জীৱন।।

(খ) দেও মাৰি পাৰ হৈ জীৱই আছে চাই।
চোৱা চোৱা জীৱসকল ভেলৰে বিলাই।।

১৪. (ক) 'মই অসমীয়া' কবিতাটোৰ সাৰাংশ লিখা। ৫

**নাইবা**

(খ) 'প্ৰশস্তি' কবিতাটোৰ মূলভাৱ লিখা।

১৫. (ক) তলত দিয়া **যিকোনো এটাৰ** ব্যাসবাক্য সহ সমাসৰ নাম লিখা : ১

পঞ্চাঙ্গুল, স্বায়ত্বশাসন

(খ) তলত দিয়া **যিকোনো এটা** শব্দৰ সন্ধি ভাঙা : ১

হিতৈষী, শীতাৰ্ত

(গ) তলত দিয়া **যিকোনো এটা** শব্দৰ 'ণ' বা 'ষ' হোৱাৰ কাৰণ লিখা : ১

চান্দ্ৰায়ণ, দুৰ্বিষহ

(ঘ) তলত দিয়া **যিকোনো এটা** শব্দৰ বিপৰীতাৰ্থক শব্দ লিখা : ১

স্তুতি, সুষুপ্তি

(ঙ) এটা শব্দত প্ৰকাশ কৰা : **(যিকোনো এটা)** ১

কোনো কথা নিশ্চয় কৰিবলৈ পঠোৱা বিশ্বাসী মানুহ, চুহি খাব লগা বস্তু

(চ) তলৰ **যিকোনো এটা** শব্দত কি প্ৰত্যয় লগ লাগিছে ভাঙি দেখুওৱা : ১

কপহুৱা, গভাইত

(ছ) সৰল বাক্য, মিশ্ৰ বাক্য আৰু যৌগিক বাক্য কাক বোলে? প্ৰত্যেকৰে একোটাকৈ উদাহৰণ দিয়া। ২

(জ) তলৰ **যিকোনো দুটাৰ** অৰ্থ প্ৰকাশ হোৱাকৈ একোটি বাক্য ৰচনা কৰা : ২

কাণ সৰালি মাৰ, চকুৰ কুটা দাঁতৰ শাল, জয়দেউ কাকূতি



Scanned with CamScanner

১৬. তলৰ **যিকোনো এটা** প্ৰশ্নৰ উত্তৰ লিখা: ৪

(ক) ভাব সম্প্ৰসাৰণ কৰা :

ক বুলিব নোৱাৰে ৰত্নাৱলী পঢ়ে।

(খ) তোমাৰ বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীৰ খেল ধেমালিৰ অধিক সা-সুবিধা কৰি দিবলৈ তোমাৰ বিদ্যালয়ৰ প্ৰধানলৈ তুমি ছাত্ৰ-ছাত্ৰী একতা সভাৰ সম্পাদক/সম্পাদিকা হিচাপে এখন আবেদন লিখা।

(আবেদনত তোমাৰ নাম, ঠিকনা নিলিখিবা)

(গ) বানপানীৰ বাবে তোমাৰ অঞ্চলৰ বাট-পথ, দলং আদি নষ্ট হোৱাত সেইবোৰৰ তৎকালীন মেৰামতিৰ বাবে চৰকাৰৰ দৃষ্টি আকৰ্ষণ কৰি স্থানীয় বাতৰি কাকতৰ সম্পাদকলৈ এখন প্ৰতিবেদন লিখা।

১৭. তলত দিয়া **যিকোনো এটা** বিষয়ৰ ওপৰত এখনি ৰচনা লিখা: ৮

(ক) তোমাৰ বিদ্যালয়ৰ বঁটা বিতৰণী সভা

(আৰম্ভণি – আয়োজন – বঁটা বিতৰণ – সামৰণি)

(খ) শৈক্ষিক পৰিৱেশ আৰু বিদ্যাৰ্থী

(শৈক্ষিক পৰিবেশ মানে কি – সমাজ আৰু শিক্ষকৰ ভূমিকা – বিদ্যাৰ্থীৰ কৰ্তব্য – মন্তব্য)

(গ) তুমি ভালপোৱা এগৰাকী সাহিত্যিক

(আৰম্ভণি – জন্ম আৰু শিক্ষা – সাহিত্যিক অৱদান – ভালপোৱাৰ কাৰণ)

১৮. 'বৈচিত্ৰ্যময় অসম' নামৰ দ্ৰুত পাঠত সন্নিবিষ্ট অসমৰ যিকোনো দুটা জনগোষ্ঠীৰ চমু পৰিচয় দিয়া। ২x২=৪

১৯. তোমাৰ দ্ৰুত পাঠত সন্নিবিষ্ট অসমৰ যিকোনো তিনিটা জনগোষ্ঠীৰ বিশেষভাৱে বৰঙণি যোগোৱা একোজনকৈ ব্যক্তিৰ বিষয়ে চমু টোকা লিখা। ২x৩=৬



Scanned with CamScanner

## GROUP - B

## বিভাগ - খ

## মূল্যাংক : ২৫

২০. তলৰ **যিকোনো** দুটা প্ৰশ্নৰ অতি চমু উত্তৰ লিখা : ১x২=২

(ক) 'ৰামসিংহৰ অসম আক্ৰমণ' বিৱৰণটো ক'ৰ পৰা লোৱা হৈছে ?

(খ) মোগল সেনাপতি ৰামসিংহই অসমলৈ পঠোৱা কটকীজনৰ নাম কি ?

(গ) ভট্টদেৱৰ সম্পূৰ্ণ নাম কি ?

২১. তলৰ যিকোনো তিনিটাৰ চমু উত্তৰ লিখা : ২x৩=৬

(ক) কুৰুক্ষেত্ৰ ৰণৰ আৰম্ভণিতে কৃষ্ণ, অৰ্জুন, ভীম, যুধিষ্ঠিৰ, নকুল আৰু সহদেৱে বজোৱা শংখকেইটাৰ নাম লিখা।

(খ) "যুদ্ধত স্বজন বধে কিচো ফলক নেদেখু, বিজয়কো আকাঙ্খা নকৰু, ৰাজ্যক ইছা নাই, সুখক নবাঞ্ছো।" – কথাষাৰ কোনে, কাৰ আগত, কেতিয়া কৈছে ?

(গ) 'যদি যুদ্ধ দিয়ে, আহিলা পাতি নাই, মোলৈ খুজি আহোক। তাক মই দিঞো।' – কোনে, কাক, কি প্ৰসংগত কৈছিল বুজাই লিখা।

(ঘ) "সেই নিবন্ধতে থাকি গুৱাহাটী ছাড়ি দিঞোক ; ৰূপৰ সোণৰ খুটা পুতি দুইজনে নিবন্ধ কৰো। আৰু চন্দ্ৰ সূৰ্য্য থাকে মানে কোনে লৰাই।" – কথাষাৰ কোনে, কেতিয়া, কি প্ৰসংগত কৈছিল ?

২২. অতি চমু উত্তৰ লিখা : ১x২=২

(ক) শংকৰদেৱে ৰচনা কৰা সংলাপবিহীন নাটখনৰ নাম কি ?

(খ) ছয়ৰতি সোনাৰ বংশী গড়ায় নেদ

ৰাজ পটেশ্বৰী হুই।

– ইয়াত 'ৰাজপটেশ্বৰী' বুলি কাক কৈছে ?



Scanned with CamScanner

২৩. তলৰ **যিকোনো দুটা** প্ৰশ্নৰ উত্তৰ লিখা: ৩x২=৬

(ক) ভটিমা বুলিলে কি বুজা ? ভটিমা কেইবিধ আৰু কি কি ? অংকীয়া নাটত কেইটা ভটিমা থাকে পাঠৰ সহায়ত বুজাই লিখা।

(খ) সোহি জগত গুৰু তেৰি সততে কৰু

মুকুতি মংগল বিধান –

জগত গুৰু বুলি কাক কৈছে ? জগত গুৰু জনাৰ গুণানুকীৰ্তন ভটিমাটিত কেনেদৰে কৰা হৈছে তোমাৰ কথাৰে লিখা।

(গ) মাকৰ কি কি গুণৰ কথা ক'বলৈ শিশু কৃষ্ণৰ লাজ লাগে বুলি কৈছিল? কথাখিনি তোমাৰ নিজৰ ভাষাৰে লিখা।

২৪. (ক) তলৰ **যিকোনো** এটা শব্দৰ আধুনিক ৰূপ লিখা: ১

উতাৰল, তাসম্বাক

(খ) তলৰ বাক্যটি শুদ্ধকৈ লিখা : ১

তুমি কালি যেনেতেনে যাবা।

(গ) তলৰ শব্দ দুটাৰ **একোটাকৈ** সমাৰ্থক শব্দ লিখা : ১

মুখ, স্বামী

২৫. অনুসৰ্গ কাক বোলে ? এটা উদাহৰণ দি বাক্যত প্ৰয়োগ কৰি দেখুওৱা: ২

২৬. তলৰ যিকোনো দুটাৰ চমু টোকা লিখা: ২x২=৪

(ক) পয়াৰ (খ) লেচাৰি (গ) ছবি



Scanned with CamScanner

## GROUP - C

### বিভাগ - গ

মূল্যাংক : ২৫

1. Translate **any two** of the following in your mother language : 4x2=8

তলৰ যিকোনো দুটা তোমাৰ মাতৃভাষালৈ অনুবাদ কৰাঁ :

(a) राजन् ! शरणागतः अस्मि ते, परित्रायस्व माम् श्येनात् । अथ श्येनः अपि राज्ञः पुरतः अपतत् । सः अपि – राजन् ! मुञ्च मुञ्च क्षुधातुरस्य मे भक्ष्यम् समर्पयस्व इति प्रोच्चैः अवदत् ।

(b) अथ वन्दीभूतम् पुरुम् राजानम् पुरतः समानीय आलेकजेण्डारः अपृच्छत् – "त्वया सह कीदृक् व्यवहर्तव्यम्" इति।

(c) लाचितः मातुलम् विलम्बस्य कारणम् अपृच्छत् । मातुलः अवदत् – "भोः भागिनेय। एते मम मानुषाः अतीव परिश्रान्ताः, क्षणम् विश्रम्य ते पुनः निर्माण कर्म करिष्यन्ति एव" इति।

2. Answer **any one** of the following :

তলৰ যিকোনো এটাৰ উত্তৰ দিয়া : 2

(a) Where does लक्ष्मी reside and to what extent ?

লক্ষ্মী ক'ত কেনেদৰে বাস কৰে?

(b) What are the six sources of happiness for a worldly man ?

জাগতিক মানুহৰ ছটা সুখৰ উৎস কি কি?

3. Answer **any one** of the following questions :

তলৰ প্ৰশ্নবোৰৰ যিকোনো এটাৰ উত্তৰ লিখাঁ : 2

(a) "ततः सर्वे पशुभिर्मिलकं कृत्वा स सिंहो विज्ञप्तः"

– What did the animals say to the lion ? What was the reply given by the lion ?

পশুবোৰে সিংহক কি কৈছিল? সিংহই কি উত্তৰ দিছিল?

(b) "स्वामीवृत्तान्तम् कथयित्वा कथम् आत्मत्राणम् न करोषि"

– Who was the स्वामी ? Which incident is indicated by 'स्वामीवृत्तान्तम्' ?

'स्वामी' কোন আছিল? 'स्वामीवृत्तान्त' ই কোনটো ঘটনাক সূচাইছে?

(c) "महावीर ! राजानं प्रति राजोचितव्यवहारः कार्यः।"

Who is the speaker of this line and to whom it was said ? What does the word 'राजोचितव्यवहार' mean ?

কোনে কাক উক্ত কথাষাৰ কৈছিল? 'राजोचितव्यवहार' শব্দটোৰে কি বুজোৱা হৈছে?



Scanned with CamScanner

4. Fill in the blanks in the following verse with appropriate words : 3

উপযুক্ত শব্দেৰে তলৰ শ্লোকফাঁকিৰ খালী ঠাই পূৰণ কৰাঁ :

अजरामरवत् ________ विद्यामर्थश्च चिन्तयेत् ।

गृहीत् इव ________ मृत्युना ________ ॥

OR/নাইবা

________ वसते लक्ष्मीः तदर्धं ________ ।

तदर्धं राजसेवायां ________ नैव नैव च॥

5. (a) Derive **any two** of the following words : 1½x2=3

তলৰ যিকোনো দুটা পদৰ ব্যুৎপত্তি লিখাঁ :

(i) मुञ्च

in Q. No. 1 (a)

1 নং (a) প্ৰশ্নত 'मुञ्च'

(ii) अपतत्

in Q. No. 1 (a)

1 নং (a) প্ৰশ্নত 'अपतत्'

(iii) अपृच्छत्

in Q. No. 1 (b)

1 নং (b) প্ৰশ্নত 'अपृच्छत्'

(iv) विश्रम्य

in Q. No. 1 (c)

1 নং (c) প্ৰশ্নত 'विश्रम्य'



Scanned with CamScanner

(b) Decline **any two** of the following : 1x2=2

তলৰ যিকোনো দুটাৰ শব্দৰূপ লিখাঁ :

(i) 'गो' in 4th case-ending plural.

'गो' চতুৰ্থী বিভক্তিৰ বহুবচনত।

(ii) 'राजन्' in 3rd case-ending singular.

'राजन्' তৃতীয়া বিভক্তিৰ একবচনত।

(iii) 'मातृ' in 1st case-ending plural.

'मातृ' প্ৰথমা বিভক্তিৰ বহুবচনত।

(iv) 'युष्मद्' in 6th case-ending dual.

'युष्मद्' ষষ্ঠী বিভক্তিৰ দ্বিবচনত।

(c) Conjugate **any two** of the following : 1x2=2

তলৰ যিকোনো দুটাৰ ধাতুৰূপ লিখাঁ :

(i) √अस् + लोट् हि

(ii) √दा + लृट् स्यन्ति

(iii) √नृत् + लङ् अन्

(iv) √पठ् + लट् तस्

(d) Frame adjectives from **any two** of the following : 1½x2=3

তলৰ যিকোনো দুটা বিশেষ্যৰ পৰা বিশেষণ পদ গঠন কৰাঁ :

शक्ति; आदि; विष्णु; शरत्

-o O o-



Scanned with CamScanner